# Telephone Conversation between PM and King of Hashemite Kingdom of Jordan

April 16, 2020

## প্ৰধানমন্ত্ৰী আৰু জৰ্দানৰ হাচেমিটে সম্ৰাজ্যৰ ৰজাৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 16, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি জৰ্দানৰ হাচেমিটে সম্ৰাজ্যৰ ৰজা আব্দুল্লা দ্বিতীয়ৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

প্ৰধানমন্ত্ৰী মোডীয়ে আগন্তুক পবিত্ৰ ৰমজান মাহৰ বাবে ৰজা আৰু জৰ্দানৰ সকলো লোকলৈ শুভকামনা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই কভিড–19 মহামাৰীৰ কাৰণে বিশ্বত দেখা দিয়া প্ৰত্যাহ্বানসমূহ আৰু লগতে ইয়াৰ প্ৰভাৱ কম কৰিবৰ কাৰণে পৰস্পৰ দেশে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আলোচনা কৰে। প্ৰয়োজনীয় যোগান উপলব্ধ কৰা আৰু তথ্য বিনিময় আৰু ইয়াৰ ব্যৱহাৰৰ যোগেদি দুয়োখন দেশেই পৰস্পৰে পৰস্পৰক যথাসম্ভৱ সহায় কৰা বিষয়ত সহমত পোষণ কৰে।

জৰ্দানত থকা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সহায়ৰ বাবে প্ৰধানমন্ত্ৰীয়ে ৰজাক অশেষ ধন্যবাদ জ্ঞাপন কৰে।

সংক্ৰান্তীয় বিষয়ৰ লগতে আঞ্চলিক আৰু বৈশ্বিক বিষয়সমূহৰ সন্দৰ্ভতো দুয়োখন দেশে ঘনিষ্ঠ সম্পৰ্ক বজাই ৰখাৰ ক্ষেত্ৰত দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 16, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.